**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰঙালী বিহুৰ আজি দ্বিতীয় দিনটো ৰাজ্যজুৰি মানুহ বিহু হিচাপে পালন কৰা হৈছে। অসমীয়া নৱবৰ্ষক আদৰি সকলোৱে আজি মাহ, হালধিৰে গা ধুই বছৰটোৰ বাবে মংগল কামনা কৰে। নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আজি দিনযোৰা কাৰ্যসূচীৰে জাতীয় যৌথ মঞ্চ অসমৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসীৰ সহযোগত বহাগ আদৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত পতাকা উত্তোলন, শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন, কণিযুজ, বিহুনাচ, হুছৰি আদি অনুষ্ঠিত হয়। সন্ধিয়া ২০ ৰো অধিক জ্যেষ্ঠ ব্যক্তিক সন্মান জনোৱা হয়। এই অনুষ্ঠানতে জুবিন নামৰ এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই আজি বিশিষ্ট নাট্যকৰ্মী পবিত্ৰ ৰাভাক বৰপেটা বঁটা প্ৰদান কৰে। পহিলা বহাগ উপলক্ষে বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই বিহুৰ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। ০০০০

০০০০

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বকুলস্থিত পলিটেকনিকত থকা ষ্ট্ৰং ৰূম আজি পৰিদৰ্শন কৰে। জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ নিৰ্বাচনী ষ্ট্ৰং ৰূম বকুলৰ পলিটেকনিকত স্থাপন কৰা হৈছে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে নিৰাপত্তা ব্যৱস্থাৰ লগতে কাৰিকৰী ব্যৱস্থাৰো বুজ লয়। জিলা প্ৰশাসনে নিৰ্বাচনৰ পৰৱৰ্তী প্ৰক্ৰিয়াসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বালিকা বিদ্যালয়ৰ ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে ষ্ট্ৰং ৰূমৰ নিৰাপত্তা ব্যৱস্থাৰ লগতে কাৰিকৰী দিশসমূহ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰে। পৰিদৰ্শনকালত  ষ্ট্ৰং ৰূমৰ নিৰাপত্তাৰ দায়িত্বত থকা বিষয়ববীয়াসকলৰ লগত জিলা আয়ুক্তগৰাকীয়ে মত বিনিময় কৰে।

০০০০

যোৰহাট জিলাৰ গড়মুৰ আঞ্চলিক কলিতা জনগোষ্ঠী সন্মিলনৰ উদ্যোগত গড়মুৰ দুলিয়া গাঁৱত আজি কুমাৰ ভাস্কৰ বৰ্মা দিৱস আৰু পহিলা ব'হাগ উদযাপন কৰা হয়। কুমাৰ ভাস্কৰ বৰ্মাৰ প্ৰতিমুৰ্তিত মাল্যাৰ্পনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছতে অনুষ্ঠানৰ মূল কাৰ্যসূচী আৰম্ভ হয়। অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে সমাজলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা নন্দেশ্বৰ কলিতা আৰু ক্ৰীড়া সংগঠক অজয় দত্তক সম্বৰ্ধনা জনোৱা হয়। কলিতা জনগোষ্ঠী সন্মিলন অসমে প্ৰকাশ কৰা নতুন বৰ্ষৰ কেলেণ্ডাৰো আজিৰ অনুষ্ঠানতেই উন্মোচন কৰা হয়।

০০০০

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ ঊৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব।

গুদালগুৰি জিলা সাহিত্য সভাৰ লগতে টংলা সাহিত্য সভাই আজি বৃহত্তৰ টংলা অঞ্চলৰ চন্দ্ৰপ্ৰভা দত্ত, নিভাৰাণী চক্ৰৱৰ্তী, অনন্ত দেৱ শৰ্মা, যতীন্দ্ৰ বৰ্মন আৰু ৰত্নেশ্বৰ বসুমতাৰী তেওঁলোকৰ বাসগৃহত বিহুৱান আৰু ওলগণি পত্ৰৰে ওলগ জনোৱা হয়।

বাক্সা জিলাতো আজি পহিলা ব'হাগ উপলক্ষে অসম সাহিত্য সভাৰ নিজৰ দিন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞ্জাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত আজি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি আজিৰ এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়। বৈশাগু উৎসৱৰ কাৰ্যসূচী অনুসৰি কেইবাটাও সাংস্কৃতিক দলে পৰম্পৰাগত বৈশাগু গীত আৰু বাগৰুম্বাকে ধৰি বিভিন্ন নৃত্য পৰিৱেশন কৰে।

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীত আজি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰেৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাতো কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে বৈশাগু পালন কৰা হৈছে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষৌ ছুপাৰ জায়েণ্টছে-ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক জয়ৰ বাবে ১৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ১০ টা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে।

০০০০

গোলাঘাট জিলাৰ ঢেকিয়ালত আজি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী লোক নিহত হোৱাৰ লগতে দুজন লোক আহত হয়। দুখন মটৰ চাইকেলত মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ